জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৮৫/২০২২**

<u>অসমৰ উন্নয়নমূলক পদক্ষেপসমূহৰ বিষয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# ২৪ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তীৰ সামৰণি অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ চৰকাৰী আৱাসগৃহত সাক্ষাৎ কৰি অসমৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে।

এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু আঁচনি সম্পৰ্কত প্ৰধানমন্ত্ৰীক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে অহা ২৪ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তীৰ সামৰণি অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত সাদিন-প্ৰতিদিন প্ৰকাশন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই অসমীয়া অভিধান 'হেমকোষ'ৰ প্ৰথমটো ব্ৰেইল সংস্কৰণ প্ৰধানমন্ত্ৰীক উপহাৰ হিচাপে প্ৰদান কৰে।

**ছঃনিঃ / পুঃডেঃ**
**২১/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in